# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-12-2025
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান।

২। জুবিন গাৰ্গক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন প্ৰদান কৰিবলৈ সাংসদ গৌৰৱ গগৈৰ লোকসভাত আহ্বান।

৩। নাগালেণ্ডৰ কোহিমাৰ সমীপৰ কিছামা গাঁৱত চলি থকা হৰ্নবিল মহোৎসৱৰ আজি তৃতীয় দিনা পৰম্পৰাগত নাগা আৰু ভাৰতীয় সংগীতেৰে মুখৰ মহোৎসৱস্থলী।

৪। আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস পালন।

*আৰু*

৫। ৰায়পুৰত ভাৰতৰ বিৰুদ্ধে দ্বিতীয়খন এদিনীয়াত ৩৫৯ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাৰ এতিয়ালৈকে ১০ অভাৰত এটা উইকেটৰ বিনিময়ত ৫১ ৰান সংগ্ৰহ।

oooooo

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী বাছনি লাভ কৰা প্ৰাৰ্থীক আজি নিযুক্তি-পত্ৰ প্ৰদান কৰা হয়। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইতিমধ্যে পূৰ্বৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সমৰ্থ হৈছে। পূৰ্বে ঘোষণা কৰা ১ লাখ নিযুক্তিৰ ঠাইত বৰ্তমানলৈ ১ লাখ ৪০ হাজাৰ নিবনুৱা যুৱক-যুৱতিক চাকৰি দিয়া হ'ল বুলি উল্লেখ কৰি তেওঁ এই সন্দৰ্ভত বিৰোধী পক্ষৰ সমলোচনাকো কটাক্ষ কৰে। অহা দুদিনৰ ভিতৰত পুনৰ ৫ হাজাৰ পদৰ বাবে নতুনকৈ বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়। তিনি বছৰত মেধাৰ ভিত্তিত বহু দৰিদ্ৰ পৰিয়ালৰ সন্তানে চৰকাৰী চাকৰি লাভ কৰিছে বুলি তেওঁ কয়। নতুন আৰক্ষীৰ আইনমতে কাম কৰা অসম প্ৰথমখন ৰাজ্য বুলিও তেওঁ ভাষণত উল্লেখ কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে আজি নিযুক্তি লাভ কৰাসকলৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০ গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩

শতাংশ পদত বাছনি লাভ কৰা ১২০ গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে লোকসভাত আজি জুবিন গাৰ্গক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। ইয়াৰ লগতে তেওঁ শিল্পীগৰাকীৰ মৃত্যুৰ উচিত তদন্ত কৰিবলৈ দাবী তোলে। যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত অনুষ্ঠান কৰিবলৈ গৈ কিদৰে কিংবদন্তি শিল্পীগৰাকীৰ মৃত্যু হ'ল সেই সন্দৰ্ভত তদন্ত কৰি শীঘ্ৰেই ন্যায় দিবলৈ তেওঁ আহ্বান জনায়।

**বাইট (গৌৰৱ গগৈ)**

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ তামুলপুৰত মহিলা উদ্যমিতা অভিযানৰ অধীনত ৩৫ হাজাৰৰো অধিক মহিলাক চেক বিতৰণ কৰিব। জিলা প্ৰশাসনে এই কাৰ্যসূচীৰ বাবে পথালিকুছিত যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। জিলা প্ৰশাসনৰ বিভিন্ন বিষয়াই সভাস্থলী পৰিদৰ্শন কৰি সকলো প্ৰস্তুতি আৰু ব্যৱস্থাপনা পৰ্যবেক্ষণ কৰে। মুখ্যমন্ত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে।

০০০০০০

লোকনৃত্য, থলুৱা খাদ্য সম্ভাৰ আৰু সুৰীয়া সংগীতেৰে উখল মাখল হৈ পৰা নাগালেণ্ডৰ কোহিমাৰ কিচামা গাঁৱৰ হৰ্ণবিল মহোৎসৱস্থলীত আজিও বহু লোকৰ সমাগম হয়। নগা যুৱক-যুৱতীৰ আকৰ্ষণীয় লোকনৃত্য পৰিবেশন আৰু দেশ-বিদেশৰ শিল্পীসকলৰ গীতে উপস্থিত জনসাধাৰণক আপ্লুত কৰিছে। জনজাতীয় নৃত্য-গীতে উৎসৱমুখৰ কৰি তোলা এই স্থান বিভিন্ন হস্তকলা আৰু থলুৱা ক্ৰীড়া প্ৰতিভা প্ৰদৰ্শনৰো থলী হিচাপে বিবেচিত হৈছে। প্ৰতি সন্ধিয়া এই মহোৎসৱত সংগীতানুষ্ঠানে দৰ্শকসকলক আকৰ্ষিত কৰিছে। আজি মহোৎসৱস্থলীত সমুহীয়াকৈ ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰা হয়।

**মিউজিক**.......

উল্লেখযোগ্য যে ১ ডিচেম্বৰৰ পৰা অনুষ্ঠিত এই মহোৎসৱৰ ১০ ডিচেম্বৰত সামৰণি পৰিব। এই বছৰ ব্ৰিটেইন আয়াৰলেণ্ড, ফ্ৰান্স, অষ্ট্ৰিয়া, মাল্টা আৰু ছুইজাৰলেণ্ডে সহযোগী দেশ হিচাপে আৰু অৰুণাচল প্ৰদেশে সহযোগী ৰাজ্য হিচাপে যোগদান কৰিছে।

০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস। বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণ, সমৰ্পন তথা তেওঁলোকৰ সাহসৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তি আৰু প্ৰতিস্থানসমূহক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে সমাজৰ প্ৰতিগৰাকী দিব্যাংগ ব্যক্তিলৈ অভিনন্দন জ্ঞাপন কৰিছে। ৰাজ্য চৰকাৰে দিব্যাংগসকলৰ কল্যাণৰ বাবে অহৰ্নিশে কাম কৰি যাব বুলিও প্ৰতিশ্ৰুতি দিছে।

কৰুণাধাৰাৰ সৌজন্যত কাৰ্বি আংলং জিলাৰ ডিফুত দিনজোৱা কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে পুৱা বন্তি প্ৰজ্বলন, পতাকা উত্তোলন, ছহিদ তৰ্পণ, মুকলি সভাৰ লগতে দিব্যাংগসকলৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত ৬ গৰাকী দিব্যাংগ ব্যক্তিক কৰুণাধাৰাৰ তৰফৰ পৰা আৰ্থিক সাহায্য আগবঢ়োৱা হয়।

ৰাজ্যৰ অন্য জিলাসমূহৰ লগতে ধেমাজিতো এই দিৱস পালন কৰা হয়। জিলাখনৰ সমগ্ৰ শিক্ষা অভিযানৰ সৰ্বাত্মক শিক্ষাৰ গোটৰ উদ্যোগত মৰিচল কঠালগুৰি প্ৰাথমিক বিদ্যালয়, গোগামুখ চেতিয়া গাঁও প্ৰাথমিক বিদ্যালয় আৰু তেলাম গামচুক প্ৰাথমিক বিদ্যালয়ত এই দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে পিতৃ-মাতৃৰ অভিভাৱক সন্মিলন, দিব্যাংগ শিশুসকলৰ স্বাস্থ্য পৰীক্ষা, গছপুলি ৰোপণ, দিব্যাংগ শিশুসকলৰ মাজত বিভিন্ন খেল ধেমালি অনুষ্ঠিত হয়।

শিৱসাগৰ জিলাৰ বিশেষভাৱে সক্ষম শিক্ষাৰ্থী প্ৰতিষ্ঠান কৌমুদালয়ত দিব্যাংগ দিৱস উপলক্ষে শিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন খেল ধেমালি অনুষ্ঠিত হয়।

হোজাইতো বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। লংকা হাইস্কুলৰ প্ৰাংগণত অভিজ্ঞ চিকিৎসকৰ এটা দলে কেইবাগৰাকীও লোকক চিকিৎসা সেৱা আগবঢ়ায়।

পূব নলবাৰী শিক্ষাখণ্ডৰ উদ্যোগত আজি মুগকুছি জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে বিদ্যালয়খনত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

০০০০০০

বৰপেটাত আজিৰে পৰা চতুৰ্থ ৰাষ্ট্ৰীয় গ্ৰন্থ আৰু বিজ্ঞান মেলা অনুষ্ঠিত হৈছে। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ডং বাবুল চন্দ্ৰ দাসে আজি বৰপেটা পৌৰ সভা খেলপথাৰত অনুষ্ঠিত এই গ্ৰন্থমেলা আৰু বিশিষ্ট উদ্ভাৱনক উদ্ধৱ ভড়ালীয়ে বিজ্ঞান মেলা উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয় যে দুবছৰৰ মুৰে মুৰে অনুষ্ঠিত বৰপেটাৰ এই গ্ৰন্থমেলাতে প্ৰথমবাৰৰ বাবে বিজ্ঞান মেলাৰ সংযোজন হৈছিল। বৰপেটা গ্ৰন্থমেলাৰ এই আৰ্হিতেই পৰৱৰ্তী সময়ত অসম সাহিত্য সভাকে ধৰি আন আন গ্ৰন্থমেলাতো বিজ্ঞান মেলা সংযোজন কৰা বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে। বিজ্ঞান মেলা উদ্বোধন কৰি বিশিষ্ট উদ্ভাৱক পদ্মশ্ৰী সন্মানেৰে বিভূষিত উদ্ধৱ ভড়ালীয়ে গ্ৰন্থমেলাৰ লগত বিজ্ঞান মেলাৰ সংযোজন অভিনৱ চিন্তা বুলি অভিহিত কৰে। তেঁও কয় যে বিজ্ঞান অবিহনে একো নহয়। এই গ্ৰন্থ আৰু বিজ্ঞান মেলাত আগশাৰীৰ কেইবাটাও প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিছে। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি বিভিন্ন শৈক্ষিক আৰু সৃষ্টিশীল প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগৰ দ্বাৰা আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। এই খণ্ডত আপোনালোকে চৰাইদেউ জিলাৰ অৰ্থনৈতিক বিকাশ সম্পৰ্কত মাহমৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া উৎপল গগৈৰ সৈতে এটা সাক্ষাৎকাৰ শুনিবলৈ পাব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰে।

০০০০০০০

পশ্চিম গোৱালপাৰা সমজিলা প্ৰশাসন আৰু কৃষ্ণাইৰ সুৰভি সাহিত্য গোষ্ঠীৰ উদ্যোগত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দ্বিতীয় কৃষ্ণাই গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আজি গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰে। গ্ৰন্থমেলাৰ বাকৰিত ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি প্ৰতিদিনাই গ্ৰন্থ উন্মোচন, সাহিত্য আলোচনা, কবিতা পাঠ, সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

ধেমাজী জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে এগৰাকী নাৱালিকাক নিৰ্যাতনৰ গোচৰত অভিযুক্ত এজনক আজি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিয়ে। ২০২১ চনৰ জুলাইত সংঘটিত এই ঘটনাৰ গোচৰত জিলা আৰু ছেছন ন্যায়াধীশ

কল্যানজিৎ শইকীয়াৰ আদালতে অভিযুক্ত লকবাহাদুৰ ছেত্ৰীক ভাৰতীয় দণ্ডবিধিৰ ৩২৩, ৩২৪, ৩৭৬ ধাৰা আৰু পকচো আইনৰ ৬ নম্বৰ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিয়ে।

০০০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ বিজনেচ এডমিনিষ্ট্ৰেছন বিভাগৰ সহকাৰী অধ্যাপক ড০ হবিবুৰ ৰহমান লস্কৰ আৰু তেওঁৰ দলে ফাইনেন্স ইনটিগ্ৰেটেড এক্সেচ কণ্ট্ৰল ডিভাইছ অৰ্থাৎ ফিনটেক নামৰ আহিলাৰ বাবে ব্ৰিটেইনৰ পৰা পেটেণ্ট লাভ কৰিছে। ব্ৰিটেইনৰ বৌদ্ধিক সম্পদ কাৰ্যালয়ে তেওঁলোকে উদ্ভাৱন কৰা এই পেটেণ্টক এটা বিশেষ নম্বৰো প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে ড০ লস্কৰৰ দলে ভাৰততো পেটেণ্ট লাভ কৰিছিল। যোৱা বছৰ ২১ মাৰ্চত ইকুইটি ৰিস্ক মেনেজমেণ্ট নামৰ আহিলাৰ বাবে এই পেটেণ্ট লাভ কৰা হৈছিল। ০

০০০০০০

গৃহ নিৰ্মাণৰ অনুমতি আৰু ভূমি দখলৰ প্ৰমাণপত্ৰ প্ৰদানৰ বাবে আজি গুৱাহাটী পৌৰ নিগমে এটা শিবিৰ মুকলি কৰে। এখন সংবাদমেলত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই কয় যে ৩১ ডিচেম্বৰলৈ মুকলি থাকিবলগীয়া এই শিবিৰত ৰাইজে সহজে গৃহ নিৰ্মাণৰ অনুমতি আৰু ভূমি দখলৰ প্ৰমাণপত্ৰ লাভ কৰিব পাৰিব। পুৰ্বে এনে প্ৰমাণপত্ৰ লাভ কৰাৰ ক্ষেত্ৰত পলম হোৱা বুলি উত্থাপিত অভিযোগসমূহৰ ভিত্তিত এনেধৰণে বিশেষ শিবিৰ মুকলি কৰি প্ৰমাণপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। কৰ বৃদ্ধি নকৰাকৈ পৌৰ নিগমে ৰাজহ সংগ্ৰহৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কত তেওঁ সংবাদমেলত সদৰি কৰে। তেওঁ কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা পুজি লাভ কৰিবলৈ হলে পৌৰ নিগমে ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিব লাগে। এই অনুসৰি অহা বছৰৰ মাৰ্চৰ ভিতৰত ১২ ৰ পৰা ১৩ শতাংশ ৰাজহ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। গুৱাহাটী মহানগৰীৰ ম'হৰ প্ৰকোপ হ্ৰাস কৰাৰ বাবে পৌৰ নিগমে ৪০ টা যন্ত্ৰৰে ধোৱা দিয়াৰ ব্যৱস্থা কৰিছে বুলি তেওঁ উল্লেখ কৰে। তদুপৰি নলা নৰ্দমাসমূহত ম'হৰ কণী ধ্বংস কৰাৰ বাবে স্প্ৰে মেচিনেৰে ঔষধ স্প্ৰে কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান আৰু সৃষ্টি সম্ভাৰক বিশ্বজনীন কৰাৰ প্ৰয়াসেৰে আজিৰে পৰা ওড়িশাৰ পুৰীত পুৰী মহোৎসৱ অনুষ্ঠিত হৈছে। দুদিনীয়া এই মহোৎসৱত অসমৰ ভালেসংখ্যক ব্যক্তিয়ে অংশ লৈছে। আজি পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত পুৱা পাঁচ বজাত বৰপেটা সত্ৰৰ চম্পক দাসৰ জাগৰণৰ গীত পৰিৱেশনেৰে মহোৎসৱ শুভাৰম্ভ কৰা হয়। পুৱা ৮ বজাৰ প্ৰসংগ সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক ৰাজ্যৰ বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই পৰিচালনা কৰে। ইয়াৰ পাছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে মুকলি কৰিছে। ঔতলা সত্ৰৰ সত্ৰাধিকাৰ বাবুল চন্দ্ৰ ডেকাই মহোৎসৱৰ বাবে পৱিত্ৰ ভাগৱত বহন কৰিব। ভাগৱত ভ্ৰমণৰ পাছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যোৱা নাম দলসমূহে থিয় নাম পৰিৱেশন কৰিব। আবেলি হ'বলগীয়া মুকলি সভাত সুৰজমল চাহা মহাবিদ্যালয়ৰ অধ্যক্ষ শৰৎ কুমাৰ চাহু উপস্থিত থাকিব। মহোৎসৱ উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ডং বাবুল চন্দ্ৰ দাসে উন্মোচন কৰিব। এই অনুষ্ঠানত পুৰীৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। সন্ধিয়া বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ মুনীন্দ্ৰ নাৰায়ণ দেৱ গোস্বামীয়ে সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব। কাইলৈও কেইবাটাও কাৰ্যসূচী ৰখা হৈছে। কাইলৈ হ'বলগীয়া পালনামত গুৱাহাটীৰ সাৰংগপাণি পাঠকে অংশ ল'ব।

০০০০০০

ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ৩৫৯ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই দ্বিতীয় উইকেটৰ যুঁটীত এতিয়ালৈকে অপৰাজিত ষাঠি ৰান যোগ দিছে। দলটোৰ অপেনাৰ কুইন্তন দি-কক ৮ ৰানত আউট হয় যদিও এইডেন

মাৰ্কৰাম আৰু অধিনায়ক টেম্বা বাভুমাই দ্বিতীয় উইকেটৰ যুটীত দৃঢ়তাৰে খেলি আছে। এতিয়ালৈকে দক্ষিণ আফ্রিকাই ১৫ অভাৰত এটা উইকেটৰ বিনিময়ত ৮৩ ৰান সংগ্ৰহ কৰিছে।

ইয়াৰ আগতে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ৩৫৮ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কে এল ৰাহুলে ৬৬ আৰু ৰবীন্দ্ৰ জাদেজাই ২৪ ৰান কৰি অপৰাজিত হৈ থাকে। ৰিতুৰাজ গাইকোৱাড়ে সৰ্বাধিক ১০৫ আৰু বিৰাট কোহলীয়ে ১০২ ৰানৰ বৰঙণি আগবঢ়ায়।

তিনিখনীয়া খেলৰ শৃংখলাটোৰ প্ৰথমখন এদিনীয়াত ভাৰতে ১৭ ৰানত বিজয় সাব্যস্ত কৰি শৃংখলাটোত সম্প্ৰতি ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০০

সমাপ্ত